# সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ শিক্ষাৰ্থীসকলৰ উত্তীৰ্ণৰ হাৰ কেনেকৈ বাঢ়িব?

ড° বুলজিৎ বুঢ়াগোহাঁই

সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ শিক্ষাৰ্থীৰ উত্তীৰ্ণ হাৰ সাধাৰণতে কম হোৱা পৰিলক্ষিত হয়। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হ'ব পৰাকৈ মেধাৱী হোৱা সত্বেও শিক্ষাৰ্থীসকল সঠিক ৰূপত প্ৰস্তুত নোহোৱাৰ বাবেই এইবোৰ পৰীক্ষাত অসমৰ শিক্ষাৰ্থীৰ উত্তীৰ্ণৰ হাৰ আন ৰাজ্যৰ তুলনাত কম হোৱা দেখা যায়।

কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ গুৰুত্বপূৰ্ণ পদত নিযুক্তিৰ বাবে সৰ্বভাৰতীয় পৰ্যায়ত পৰিচালনা কৰা প্ৰতিযোগিতামূলক কেইটামান পৰীক্ষা হ'ল—

**১। অসামৰিক সেৱাৰ পৰীক্ষা (Civil Services Examinations)** ঃ এই পৰীক্ষাৰ যোগেদি বিভিন্ন সেৱাৰ বাবে লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থী বাছনি কৰে। যেনে—ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় বৈদেশিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় নিৰীক্ষণ আৰু হিচাপ সেৱা, গোট 'ক', ভাৰতীয় অসামৰিক হিচাপ সেৱা, গোট 'ক' ভাৰতীয় কৰ্পৰেট আইন সেৱা, গোট 'ক', ভাৰতীয় প্ৰতিৰক্ষা একাউণ্ট সেৱা, গোট 'ক', ভাৰতীয় প্ৰতিৰক্ষা বাগিচা সেৱা, গোট 'ক' ভাৰতীয় তথ্য সেৱা, জুনিয়ৰ গ্ৰেড গোট 'ক', ভাৰতীয় ডাক সেৱা, গোট 'ক', ভাৰতীয় পি এণ্ড টি হিচাপ আৰু বিত্ত সেৱা, গোট 'ক', ভাৰতীয় ৰে'লৱে সুৰক্ষা বাহিনী সেৱা, গোট 'ক', ভাৰতীয় ৰাজহ সেৱা (শুল্ক আৰু পৰোক্ষ কৰ) গোট 'ক', ভাৰতীয় ৰাজহ সেৱা (আয়কৰ) গোট 'ক', ভাৰতীয় বাণিজ্য সেৱা, গোট 'ক' (তৃতীয় শ্ৰেণী), সশস্ত্ৰ বাহিনীৰ মুখ্য কাৰ্যালয় অসামৰিক সেৱা, গ্ৰুপ 'বি' (ছেকশ্যন অফিছাৰ গ্ৰেড), দিল্লী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লক্ষদ্বীপ, দমন আৰু দিউ আৰু দাদ্ৰা আৰু নগৰ হাভেলী অসামৰিক সেৱা (ডানিক্স), গ্ৰুপ 'বি', দিল্লী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লক্ষদ্বীপ, দমন আৰু দিউ আৰু দাদ্ৰা আৰু নগৰ হাভেলী আৰক্ষী সেৱা (ডানিপছ), গোট 'খ', পণ্ডিচেৰী অসামৰিক সেৱা (পণ্ডিকছ), গোট 'খ', ভাৰতীয় বাণিজ্য সেৱা, গোট 'ক' (তৃতীয় শ্ৰেণী), সশস্ত্ৰ বাহিনীৰ মুখ্য কাৰ্যালয় অসামৰিক সেৱা, গ্ৰুপ 'খ' (অংশ বিষয়াৰ গ্ৰেড), দিল্লী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লক্ষদ্বীপ, দমন আৰু দিউ আৰু দাদ্ৰা আৰু নগৰ হাভেলী অসামৰিক সেৱা (ডানিক্স), গ্ৰুপ 'খ', দিল্লী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লক্ষদ্বীপ, দমন আৰু দিউ আৰু দাদ্ৰা আৰু নগৰ হাভেলী আৰক্ষী সেৱা, গ্ৰুপ 'বি', পণ্ডিচেৰী অসামৰিক সেৱা, গ্ৰুপ 'বি'ৰ সৈতে আদি।

লিখিত পৰীক্ষা দুটা পৰ্যায়ত হয়। এটাক প্ৰাৰম্ভিক পৰীক্ষা (Preliminary Examination) আৰু আনটোক মূল পৰীক্ষা (Main Examination) বুলি কোৱা হয়।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ আগষ্টত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা কোনো শাখাত স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে।

**২। ভাৰতীয় বন সেৱা পৰীক্ষা (Indian Forest Service Examination)** ঃ প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে। লিখিত পৰীক্ষা দুটা পৰ্যায়ত হয়। এটা হ'ল—অসামৰিক সেৱাৰ পৰীক্ষাৰ (Civil Services Examinations) প্ৰাৰম্ভিক পৰীক্ষা (Preliminary Examination) আৰু আনটো হ'ল ভাৰতীয় বন সেৱা পৰীক্ষাৰ (Indian Forest Service Examination) মূল পৰীক্ষা (Main Examination)।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ আগষ্টত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক হোৱা দৰকাৰ। স্নাতক পৰ্যায়ৰ পৰীক্ষাত পশুচিকিৎসা বিজ্ঞান, উদ্ভিদ বিজ্ঞান, ৰসায়ন বিজ্ঞান, ভূতত্ত্ব বিজ্ঞান, গণিত, পদাৰ্থ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান—এই বিষয়বোৰৰ যিকোনো এটা বিষয় থকা আৱশ্যক অথবা কৃষি, বন আৰু অভিযান্ত্ৰিক বিষয়ৰ স্নাতক হোৱা দৰকাৰ। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

**৩। অভিযান্ত্ৰিক সেৱা পৰীক্ষা (Engineering Services Examination)** ঃ এই পৰীক্ষাৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ (Civil Engineering, Mechanical Engineering, Electrical Engineering আৰু Electronics & Telecommunication Engineering বিভাগৰ বিভিন্ন গোটবোৰৰ বাবে প্ৰাৰ্থীৰ বাছনি কৰে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু Personality Testৰ জৰিয়তে কৰে। লিখিত পৰীক্ষা দুটা পৰ্যায়ত হয়। এটাক Engineering Services (Preliminary/Stage-I) আৰু আনটোক Engineering Services (Mains/Stage-II) বুলি কোৱা হয়।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩০ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা অভিযান্ত্ৰিক বিষয়ৰ স্নাতক অথবা স্নাতকোত্তৰ পৰ্যায়ৰ পৰীক্ষাত Wireless Communications, Electronics, Radio Physics or Radio Engineeringক বিশেষ বিষয় হিচাপে লৈ উত্তীৰ্ণ হোৱাসকলেও কিছুমান নিৰ্দিষ্ট পদৰ বাবে আবেদন কৰিব পাৰে।

**৪। সংযুক্ত চিকিৎসা সেৱা পৰীক্ষা (Combined Medical Services Examination)** ঃ এই পৰীক্ষাৰ বাবে আবেদন বিচাৰি কেন্দ্ৰীয় লোকসেৱা আয়োগে সাধাৰণতে এপ্ৰিল মাহত বিজ্ঞাপন প্ৰকাশ কৰে আৰু জুলাই মাহত পৰীক্ষা পৰিচালনা কৰে।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ আগষ্টত প্ৰাৰ্থীৰ বয়স ৩২ বছৰ হ'ব নালাগিব। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ এই পৰীক্ষাত বহাৰ বাবে চিকিৎসা বিজ্ঞানৰ (MBBS) স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

৫। **সংযুক্ত প্ৰতিৰক্ষা সেৱাৰ পৰীক্ষা (Combined Defence Services Examination)** ঃ এই পৰীক্ষা বছৰত দুবাৰ অনুষ্ঠিত হয়।

বয়সৰ সীমা ঃ Indian Military Academyত (IMA) ভৰ্তিৰ বাবে অবিবাহিত পুৰুষ প্ৰাৰ্থীৰ বয়স ১৯ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰত হ'ব লাগে।

Indian Naval Academyত ভৰ্তিৰ বাবে অবিবাহিত পুৰুষ প্ৰাৰ্থীৰ বয়স ১৯ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰত হ'ব লাগে।

Air Force Academyত ভৰ্তিৰ বাবে অবিবাহিত প্ৰাৰ্থীৰ বয়স ২০ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰত হ'ব লাগে।

Officers Training Academyত ভৰ্তিৰ বাবে অবিবাহিত প্ৰাৰ্থীৰ বয়স ১৯ বছৰৰ পৰা ২৫ বছৰৰ ভিতৰত হ'ব লাগে।

শিক্ষাগত অৰ্হতা ঃ Indian Military Academy আৰু Officers' Traning Academyত ভৰ্তিৰ বাবে প্ৰাৰ্থীজন স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো শাখাৰ স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে।

Naval Academyত ভৰ্তিৰ বাবে প্ৰাৰ্থীজন অভিযান্ত্ৰিক বিষয়ৰ স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে। Air Force Academyত ভৰ্তিৰ বাবে প্ৰাৰ্থীজন স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে (পদাৰ্থ বিজ্ঞান আৰু গণিত বিষয়সহ দ্বাদশ শ্ৰেণীত) অথবা অভিযান্ত্ৰিক বিষয়ৰ স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে। স্নাতক চূড়ান্ত পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

৬। **সংযুক্ত ভূ-বিজ্ঞানী পৰীক্ষা (Combind Geo-Scientist Examination)** ঃ এই পৰীক্ষাৰ বাবে আবেদন বিচাৰি কেন্দ্ৰীয় লোকসেৱা আয়োগে সাধাৰণতে ছেপ্টেম্বৰ/অক্টোবৰ মাহত বিজ্ঞাপন প্ৰকাশ কৰে আৰু জানুৱাৰি মাহত পৰীক্ষা পৰিচালনা কৰে।

এই পৰীক্ষা দুটা পৰ্যায়ত হয়। এই প্ৰাৰম্ভিক পৰীক্ষা (Preliminary Examination); এইটো Computer Based Test আৰু আনটোক মূল পৰীক্ষা (Main Examination) বুলি কোৱা হয়।

Geologist, Geophysicist আৰু Chemist (Group 'A') পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

Jr. Hydrogeologist (Scientist B) (Group A) পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ Geologistৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Geological Science, Geology, Applied Geology, Geo-exploration, Mineral Exploration, Engineering Geology, Marine Geology, Earth Science আৰু Resources Management, Oceanography আৰু Coastal Area Studies, Petroleum Geosciences, Geochemistry আদিৰ যিকোনো বিষয়ত স্নাতকোত্তৰ ডিগ্ৰি লাভ কৰিব লাগিব।

Geophysicistৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Physics, Applied Physics, Geophysics, Applied Geophysics, Marine Geophysics, Applied Geophysics আদিৰ যিকোনো বিষয়ত স্নাতকোত্তৰ ডিগ্ৰি লাভ কৰিব লাগিব।

Chemistৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Chemistry/Applied Chemistry/Analytical Chemistry বিষয়ত স্নাতকোত্তৰ ডিগ্ৰিধাৰী হ'ব লাগে।

Hydrogeologistৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Geology/Applied Geology/Marine Geology/ Hydrogeology বিষয়ত স্নাতকোত্তৰ ডিগ্ৰিধাৰী হ'ব লাগে।

স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

৭। **ভাৰতীয় অৰ্থনীতি/পৰিসংখ্যা সেৱা পৰীক্ষা (Indian Economic Service/ Indian Statistical Service)** ঃ এই পৰীক্ষাৰ বাবে আবেদন বিচাৰি কেন্দ্ৰীয় লোকসেৱা আয়োগে সাধাৰণতে মাৰ্চ/এপ্ৰিল মাহত বিজ্ঞাপন প্ৰকাশ কৰে আৰু জুন মাহত পৰীক্ষা পৰিচালনা কৰে।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ আগষ্টত প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ পৰা ৩০ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

শিক্ষাগত অৰ্হতা ঃ Indian Economic Serviceৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Economics/Applied Economics/Business Economics/ Econometrics বিষয়ত স্নাতকোত্তৰ ডিগ্ৰিধাৰী হ'ব লাগে।

Indian Statistical Serviceৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা Statistics/ Mathematical Statistics/Applied Statistics এটা বিষয়সহ স্নাতক হোৱা দৰকাৰ অথবা Statistics/Mathematical Statistics/Applied Statistics বিষয়ত স্নাতকোত্তৰ ডিগ্ৰিধাৰী হ'ব লাগে। স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

৮। **ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু নৌ একাডেমি পৰীক্ষা (National Defence Academy & Naval Academy Examination)** ঃ এই পৰীক্ষাৰ বছৰত দুবাৰ অনুষ্ঠিত হয়।

বয়সৰ সীমা ঃ প্ৰাৰ্থীৰ বয়স ১৬ বছৰ ছমাহৰ পৰা ১৯ বছৰ ছমাহৰ ভিতৰত হ'ব লাগে।

শিক্ষাগত অৰ্হতা ঃ সেনা বাহিনী শাখাত ভৰ্তিৰ বাবে প্ৰাৰ্থী যিকোনো শাখাত দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হ'ব লাগে। আনহাতে বায়ু আৰু নৌ বাহিনীত ভৰ্তিৰ বাবে প্ৰাৰ্থী বিজ্ঞান শাখাত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু গণিত বিষয়সহ দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হ'ব লাগে। দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

৯। **কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী পৰীক্ষা (Central Armed Police Forces Examination)** ঃ কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, যেনে—সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ), কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (ছি আৰ পি এফ), কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (ছি আই এছ এফ), ভাৰত-তিব্বতী সীমান্ত আৰক্ষী (আই টি বি পি) আৰু সশস্ত্ৰ সীমা বল (এছ এছ বি) আদিত সহকাৰী অধিনায়ক (গ্ৰুপ ক) নিযুক্তিৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰে। পুৰুষ আৰু মহিলা উভয় প্ৰাৰ্থীয়ে সহকাৰী অধিনায়ক পদত নিযুক্তিৰ বাবে যোগ্য।

বয়সৰ সীমা ঃ পৰীক্ষা অনুষ্ঠিত হোৱা বছৰৰ ১ আগষ্টত প্ৰাৰ্থীৰ বয়স ২০ বছৰৰ পৰা ২৫ বছৰৰ ভিতৰত হ'ব লাগে।

শিক্ষাগত অৰ্হতা ঃ এই পৰীক্ষাত বহাৰ বাবে প্ৰাৰ্থীজন স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো শাখাৰ স্নাতক ডিগ্ৰিধাৰী হ'ব লাগে। প্ৰাৰ্থীৰ বাছনি লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে কৰে।

কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ গুৰুত্বপূৰ্ণ পদত নিযুক্তিৰ বাবে সৰ্বভাৰতীয় পৰ্যায়ত পৰিচালনা কৰা এই সকলো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিজ্ঞাপন আয়োগৰ ৱেবছাইট (www.upsc.gov.in) লগতে এমপ্লয়মেণ্ট নিউজ আৰু বিভিন্ন বাতৰিকাকত/আলোচনীত প্ৰকাশ হয়। কেন্দ্ৰীয় লোকসেৱা আয়োগে পৰিচালনা কৰা প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বাবে অনলাইন পদ্ধতিত আবেদন কৰিব লাগে। ইয়াৰ বাবে ৱেবছাইট ঠিকনাটি হ'ল— https://www.upsconline.nic.in।

ঠিকনা ঃ কেৰিয়াৰ পৰামৰ্শদাতা তথা মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ, অসম ডন বস্ক' বিশ্ববিদ্যালয়, আজাৰা, গুৱাহাটী-৭৮১০১৭, ফোন ঃ ৯৪৩৫১৮৬৬৩০

ই-মেইল ঃ buljit@gmail.com

# সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ শিক্ষাৰ্থীসকলৰ উত্তীৰ্ণৰ হাৰ কেনেকৈ বাঢ়িব?

**ড° বুলজিৎ বুঢ়াগোহাঁই**

(যোৱাৰ সংখ্যাৰ পিছৰ পৰা)

(i) **সংযুক্ত স্নাতক পৰ্যায়ৰ পৰীক্ষা (Combined Graduate Level Examination)** ঃ এই পৰীক্ষাৰ যোগেদি ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/সংগঠন আৰু বিভিন্ন সাংবিধানিক সংস্থা/বিধিগত সংস্থা/ন্যায়াধিকৰণ আদিত গ্ৰুপ 'বি' আৰু গ্ৰুপ 'ছি' পদসমূহ, যেনে—Assistant Audit Officer, Assistant Accounts Officer, Assistant Section Officer, Inspector, Assistant Enforcement Officer, Sub Inspector, Inspector, Assistant, Divisional Accountant, Junior Statistical Officer, Auditor, Inspector of Income Tax, Accountant, Junior Accountant, Postal Assistant/Sorting Assistant, Senior Secretariat Assistant/ Upper Division Clerks, Senior Administrative Assistant, Tax Assistant, Upper Division Clerks আদি পূৰণৰ বাবে কম্পিউটাৰ ভিত্তিক পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থী বাছনি কৰে।

**বয়সৰ সীমা ঃ** বিভিন্ন পদৰ বাবে পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ**

(a) সহকাৰী অডিট বিষয়া/সহকাৰী একাউণ্ট বিষয়া (Assistant Audit Officer/Assistant Accounts Officer) :

**অত্যাৱশ্যকীয় অৰ্হতা (Essential Qualifications)** ঃ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানৰ পৰা স্নাতক ডিগ্ৰি লাভ কৰা।

**বাঞ্ছনীয় অৰ্হতা (Desirable Qualifications)** ঃ চাৰ্টাৰ্ড একাউণ্টেণ্ট (Chartered Accountant) বা খৰচ আৰু ব্যৱস্থাপনা একাউণ্টেণ্ট (Cost & Management Account) বা কোম্পানি সচিব (Company Secretary) বা বাণিজ্যত স্নাতকোত্তৰ (Masters in Commerce) বা ব্যৱসায় অধ্যয়নত স্নাতকোত্তৰ (Masters in Business Studies) বা ব্যৱসায় প্ৰশাসন (বিত্ত)ত স্নাতকোত্তৰ [(Masters in Business Administration (Finance)] বা ব্যৱসায় অৰ্থনীতিত স্নাতকোত্তৰ (Masters in Business Economics)।

**(b) কনিষ্ঠ পৰিসংখ্যা বিষয়া (Junior Statistical Officer)** : স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানৰ পৰা যিকোনো বিষয়ত স্নাতক ডিগ্ৰি আৰু দ্বাদশ মান পৰ্যায়ত গণিতত কমেও ৬০% নম্বৰ লাভ কৰিব লাগে অথবা ডিগ্ৰি পৰ্যায়ত পৰিসংখ্যা বিষয়ক অন্যতম বিষয় হিচাপে লৈ যিকোনো বিষয়ত স্নাতক ডিগ্ৰি লাভ কৰিব লাগিব।

**(c) অন্যান্য সকলো পদ (All other Posts)** ঃ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা সমতুল্যৰ পৰা স্নাতক ডিগ্ৰি লাভ কৰিব লাগিব।

কম্পিউটাৰ ভিত্তিক পৰীক্ষা দুটা স্তৰত অনুষ্ঠিত হয় ঃ টায়াৰ-I আৰু টায়াৰ-II পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট আৰু শিলচৰত আছে।

টায়াৰ-I পৰীক্ষাত মুঠ নম্বৰ ২০০ থাকে। ইয়াত General Intelligence and Reasoningৰ প্ৰশ্নৰ সংখ্যা ২৫টা আৰু ৫০ নম্বৰ, General Awarenessৰ প্ৰশ্ন সংখ্যা ২৫টা আৰু ৫০ নম্বৰ, Quantitative Aptitudeৰ প্ৰশ্নৰ সংখ্যা ২৫টা আৰু ৫০ নম্বৰ, English Comprehensionৰ প্ৰশ্নৰ সংখ্যা ২৫টা আৰু ৫০ নম্বৰ। প্ৰশ্নকাকত বস্তুনিষ্ঠ (objective), একাধিক পছন্দৰ প্ৰশ্নৰ (Multiple choice questions) ধৰণৰ হয়। English Comprehensionৰ বাদে প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.৫০ ঋণাত্মক নম্বৰ থাকে।

টায়াৰ-II পৰীক্ষাত তিনিখন প্ৰশ্নকাকত থাকে। বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https://ssc.nic.in) চাব পাৰে।

(ii) **সংযুক্ত উচ্চতৰ মাধ্যমিক** (১০+২) **পৰ্যায়ৰ পৰীক্ষা (Combined Higher Secondary (10+2) Level Examination)** ঃ এই পৰীক্ষাৰ যোগেদি ভাৰত চৰকাৰ আৰু বিভিন্ন সাংবিধানিক সংস্থা/বিধিগত সংস্থা/ন্যায়াধিকৰণ আদিৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/কাৰ্যালয়ৰ বাবে গ্ৰুপ ছি পদসমূহ, যেনে—নিম্ন বিভাগীয় কেৰাণী (Lower Divison Clerk)/কনিষ্ঠ সচিবালয়ৰ সহায়ক (Junior Secretariat Assistant) আৰু তথ্য প্ৰৱেশ অপাৰেটৰ (Data Entry Operator) আদি পূৰণৰ বাবে কম্পিউটাৰ ভিত্তিক পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থীৰ বাছনি কৰে।

**বয়সৰ সীমা ঃ** পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ২৭ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ** প্ৰাৰ্থীয়ে স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড বা বিশ্ববিদ্যালয়ৰ পৰা দ্বাদশ শ্ৰেণী বা সমতুল্য পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

কম্পিউটাৰ ভিত্তিক পৰীক্ষা দুটা স্তৰত অনুষ্ঠিত হয় ঃ টায়াৰ-I আৰু টায়াৰ-II আৰু পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট আৰু শিলচৰত আছে। টায়াৰ-I পৰীক্ষাত মুঠ নম্বৰ ২০০ থাকে। ইয়াত English Languageৰ (Basic Knowledge) প্ৰশ্নসংখ্যা ২৫টা আৰু ৫০ নম্বৰ, General Intelligenceৰ প্ৰশ্নসংখ্যা ২৫টা আৰু ৫০ নম্বৰ, Quantitative Aptitudeৰ (Basic Arithmetic Skill) প্ৰশ্নসংখ্যা ২৫টা আৰু ৫০ নম্বৰ, General Awarenessৰ প্ৰশ্নসংখ্যা ২৫টা আৰু ৫০ নম্বৰ। প্ৰশ্নকাকত বস্তুনিষ্ঠ (objective), একাধিক পছন্দৰ প্ৰশ্ন (Multiple choice questions) ধৰণৰ হয়। English

Languageৰ (Basic Knowledge) বাদে প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.৫০ ঋণাত্মক নম্বৰ থাকে। টায়াৰ-II পৰীক্ষাৰ প্ৰশ্নকাকতত তিনিটা শাখা থাকে। বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https://ssc.nic.in) চাব পাৰে।

(iii) **ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'ছি' আৰু 'ডি' পৰীক্ষা (Stenographer Grade 'C' and 'D' Examination) ঃ** ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/সংগঠনৰ ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'C' (গ্ৰুপ 'B', নন-গেজেটেড আৰু ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'D' (গ্ৰুপ 'C') পদত নিযুক্তিৰ বাবে এটা মুক্ত প্ৰতিযোগিতামূলক কম্পিউটাৰ ভিত্তিক পৰীক্ষা অনুষ্ঠিত কৰে। যিসকলৰ ষ্টেনোগ্ৰাফি দক্ষতা আছে, তেওঁলোকহে আবেদন কৰিবলৈ যোগ্য।

**বয়সৰ সীমা ঃ** ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'C'ৰ বাবে পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ৩০ বছৰৰ ভিতৰত হ'ব লাগে আৰু ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'D'ৰ বাবে পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ২৭ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ** প্ৰাৰ্থীয়ে স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড বা বিশ্ববিদ্যালয়ৰ পৰা দ্বাদশ শ্ৰেণী বা সমতুল্য পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

পৰীক্ষাৰ প্ৰশ্নকাকতৰ মুঠ নম্বৰ ২০০। ইয়াত General Intelligence & Reasoningৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০ নম্বৰ, General Awarenessৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০ নম্বৰ, English Language and Comprehensionৰ প্ৰশ্নসংখ্যা ১০০টা আৰু ১০০ নম্বৰ। প্ৰশ্নকাকত বস্তুনিষ্ঠ (objective), একাধিক পছন্দৰ প্ৰশ্ন (Multiple choice questions) ধৰণৰ হয়। English Language and Comprehensionৰ বাদে প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.২৫ নম্বৰৰ ঋণাত্মক নম্বৰ থাকে। পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট আৰু শিলচৰত আছে।

**ষ্টেনোগ্ৰাফিত দক্ষতা পৰীক্ষা ঃ** কম্পিউটাৰ ভিত্তিক পৰীক্ষাত শ্বৰ্টলিষ্ট হোৱা পৰীক্ষাৰ্থীয়ে ষ্টেন'গ্ৰাফিৰ দক্ষতা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। প্ৰাৰ্থীসকলক ইংৰাজী বা হিন্দী ভাষাত (অনলাইন আবেদন প্ৰ-পত্ৰত প্ৰাৰ্থীসকলে বাছনি কৰা অনুসৰি) ১০ মিনিটৰ বাবে শ্ৰুতলিপি দিয়া হয়, ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'C' পদৰ বাবে প্ৰতি মিনিটত ১০০ শব্দৰ গতিবেগ আৰু ষ্টেনোগ্ৰাফাৰ গ্ৰেড 'D' পদৰ বাবে প্ৰতি মিনিটত ৮০ শব্দৰ গতিবেগ হ'ব লাগে। বিষয়টো কম্পিউটাৰত লিপিবদ্ধ কৰিব লাগিব।

(iv) **কনিষ্ঠ অভিযন্তা (অসামৰিক, যান্ত্ৰিক, বৈদ্যুতিক আৰু পৰিমাণ জৰীপ আৰু চুক্তি) পৰীক্ষা ঃ (Junior Engineer (Civil, Mechanical, Electrical and Quantity Surveying & Contracts Examination) ঃ** ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/সংগঠনৰ বাবে কনিষ্ঠ অভিযন্তা (অসামৰিক, যান্ত্ৰিক, বৈদ্যুতিক আৰু পৰিমাণ জৰীপ আৰু চুক্তি) নিযুক্তিৰ বাবে এই পৰীক্ষা অনুষ্ঠিত কৰে। এই পদসমূহ গ্ৰুপ 'বি' (নন-গেজেটেড)।

**বয়সৰ সীমা ঃ** বিভিন্ন পদৰ বাবে পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ৩০/৩২ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাইৰ সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ**

(a) স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়/প্ৰতিষ্ঠানৰ পৰা ছিভিল ইঞ্জিনিয়াৰিঙত ডিগ্ৰি লাভ কৰা অথবা স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান/ব'ৰ্ডৰ পৰা ছিভিল ইঞ্জিনিয়াৰিঙৰ তিনি বছৰ ডিপ্লমা আৰু ছিভিল ইঞ্জিনিয়াৰিঙৰ কামৰ পৰিকল্পনা/নিষ্পাদন/ৰক্ষণাবেক্ষণত দুবছৰীয়া কৰ্ম অভিজ্ঞতা।

(b) স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা যান্ত্ৰিক অভিযান্ত্ৰিক ডিগ্ৰি অথবা স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানৰ পৰা মেকানিকেল ইঞ্জিনিয়াৰিঙত তিনি বছৰৰ ডিপ্ল'মা আৰু নিজ নিজ ক্ষেত্ৰত দুবছৰৰ অভিজ্ঞতা থাকিব লাগিব।

(c) স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠান বা ব'ৰ্ডৰ পৰা ছিভিল ইঞ্জিনিয়াৰিঙৰ ডিপ্ল'মা থাকিব লাগিব।

(d) স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠান বা ব'ৰ্ডৰ পৰা বৈদ্যুতিক অভিযান্ত্ৰিক অভিযান্ত্ৰিকত ডিপ্ল'মা থাকিব লাগিব।

(e) স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠান বা ব'ৰ্ডৰ পৰা যান্ত্ৰিক অভিযান্ত্ৰিক ডিপ্ল'মা থাকিব লাগিব আদি। পদ অনুসৰি শিক্ষাগত অৰ্হতা বেলেগ বেলেগ। বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https://ssc.nic.in)ত চাব পাৰে।

পৰীক্ষাত দুখন প্ৰশ্নকাকত থাকে। প্ৰশ্নকাকত-I (কম্পিউটাৰ ভিত্তিক পৰীক্ষা) আৰু প্ৰশ্নকাকত-II (বৰ্ণনামূলক)।

প্ৰশ্নকাকত—Iত General Intelligence and Reasoningৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০ নম্বৰ; General Awarenessৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০ নম্বৰ আৰু General Engineering (Civil & Structural)ৰ প্ৰশ্নসংখ্যা ১০০টা আৰু ১০০ নম্বৰ অথবা General Engineering (Electrical)ৰ প্ৰশ্নসংখ্যা ১০০টা আৰু ১০০ নম্বৰ অথবা General Engineering (Machanical)ৰ প্ৰশ্নসংখ্যা ১০০টা আৰু ১০০ নম্বৰ। প্ৰশ্নকাকতখন বস্তুনিষ্ঠ (objective), একাধিক পছন্দৰ প্ৰশ্ন (Multiple choice questions) ধৰণৰ হয়। প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.২৫ নম্বৰ ঋণাত্মক নম্বৰ দিয়া হয়।

প্ৰশ্নকাকত-II (বৰ্ণনামূলক)ত General Engineering (Civil & Structural)ৰ ৩০০ নম্বৰ অথবা General Engineering (Electrical)ৰ ৩০০ নম্বৰ অথবা General Engineering (Mechanical)ৰ ৩০০ নম্বৰ।

পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট, শিলচৰ আৰু তেজপুৰত আছে।

(v) **দিল্লী আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ উপ-পৰিদৰ্শক পৰীক্ষা (Sub-Inspector in Delhi Police and Central Armed Police Forces Examination) ঃ** দিল্লী আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত উপ-পৰিদৰ্শক নিযুক্তিৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হয়।

**বয়সৰ সীমা ঃ** বিভিন্ন পদৰ বাবে পৰীক্ষাৰ বিজ্ঞাপন দিয়া বছৰৰ ১ জানুৱাৰিত প্ৰাৰ্থীৰ বয়স ২০ বছৰৰ পৰা ২৫ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ** সকলো পদৰ বাবে শিক্ষাগত অৰ্হতা স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰি বা সমতুল্য। এই পৰীক্ষাত প্ৰশ্নকাকত-I, ফিজিকেল ষ্টেণ্ডাৰ্ড টেষ্ট (পি এছ টি)/ফিজিকেল এণ্ডুৰেন্স টেষ্ট (পিইটি) [Physical Standard Test (PST)/ Physical Endurance Test (PET)], প্ৰশ্নকাকত-II আৰু বিশদ চিকিৎসা পৰীক্ষা (ডিএমই) [Detailed Medical Examination (DME)] থাকে। পৰীক্ষাৰ এই সকলো পৰ্যায় বাধ্যতামূলক।

প্ৰশ্নকাকত—Iত General Intelligence and Reasoningৰ প্ৰশ্ন সংখ্যা ৫০টা আৰু ৫০ নম্বৰ; General Knowledge and General Awarenessৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০

নম্বৰ; Quantitative Aptitudeৰ প্ৰশ্ন সংখ্যা ৫০টা আৰু ৫০ নম্বৰ আৰু English Comprehensionৰ প্ৰশ্নসংখ্যা ৫০টা আৰু ৫০ নম্বৰ।

প্ৰশ্নকাকত-IIত English language & Comprehensionৰ প্ৰশ্ন সংখ্যা ২০০টা আৰু ২০০ নম্বৰ।

দুয়োখন প্ৰশ্নকাকতৰ প্ৰশ্ন বস্তুনিষ্ঠ, বহু পছন্দৰ ধৰণৰ হ'ব। প্ৰশ্নকাকত-I English Comprehensionৰ বাদে প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে।

প্ৰশ্নকাকত-I আৰু প্ৰশ্নকাকত-IIত প্ৰতিটো ভুল উত্তৰৰ বাবে ০.২৫ নম্বৰৰ ঋণাত্মক নম্বৰ থাকে। পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট, শিলচৰ আৰু তেজপুৰত আছে।

ফিজিকেল ষ্টেণ্ডাৰ্ড টেষ্ট (পি এছ টি)/ফিজিকেল এণ্ডুৰেন্স টেষ্ট (পিইটি) [Physical Standard Test (PST)/ Physical Endurance Test (PET)] আৰু বিশদ চিকিৎসা পৰীক্ষাৰ (ডি এম ই) (Detailed Medical Examination (DME)] বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https://ssc.nic.in) চাব পাৰে।

(vi) **কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত কনিষ্টবল (জিডি), এছ এছ এফ, অসম ৰাইফলছত ৰাইফলমেন (জিডি) আৰু নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰ'ত চিপাহী পৰীক্ষা [Constable (GD) in Central Armed Police Forces (CAPFs), SSF, Rifleman (GD) in Assam Rifles and Sepoy in Narcotics Control Bureau Examination]** ঃ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰণয়ন কৰা নিযুক্তি আঁচনি অনুসৰি আৰু গৃহ পৰিক্ৰমা মন্ত্ৰালয় আৰু ষ্টাফ ছিলেকশ্যন কমিছনৰ মাজত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ), কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী (ছি আই এছ এফ), কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (ছি আৰ পি এফ), ভাৰত তিব্বতী সীমান্ত আৰক্ষী (আই টি বি পি), সশস্ত্ৰ সীমা বল (এছ এছ বি), সচিবালয় নিৰাপত্তা বাহিনী (এছ এছ এফ), অসম ৰাইফলছত (এ আৰ) ৰাইফলমেন (জেনেৰেল ডিউটি) আৰু এন ছি বিত (নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰ') চিপাহী নিযুক্তিৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰে। নিযুক্তি প্ৰক্ৰিয়াত কম্পিউটাৰ ভিত্তিক পৰীক্ষা (চিবিই), শাৰীৰিক দক্ষতা পৰীক্ষা (পি ই টি), শাৰীৰিক মান পৰীক্ষা (পি এছ টি), চিকিৎসা পৰীক্ষা আৰু নথিপত্ৰ পৰীক্ষণৰ ব্যৱস্থা থাকে।

**বয়সৰ সীমা ঃ** প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ২৩ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ** পৰীক্ষাৰ্থীয়ে স্বীকৃতিপ্ৰাপ্ত বৰ্ড/বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক বা দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

এই পৰীক্ষাত কম্পিউটাৰ ভিত্তিক বস্তুনিষ্ঠ ধৰণৰ প্ৰশ্নকাকত থাকে। ইয়াত General Intelligence and Reasoningৰ প্ৰশ্ন সংখ্যা ২০টা আৰু ৪০ নম্বৰ, General Knowledge and General Awarenessৰ প্ৰশ্ন সংখ্যা ২০টা আৰু ৪০ নম্বৰ, Elementary Mathematicsৰ প্ৰশ্নসংখ্যা ২০টা আৰু ৪০ নম্বৰ আৰু English/Hindiৰ প্ৰশ্ন সংখ্যা ২০টা আৰু ৪০ নম্বৰ। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.৫০ নম্বৰৰ ঋণাত্মক নম্বৰ থাকে। কম্পিউটাৰ ভিত্তিক পৰীক্ষা কেৱল ইংৰাজী আৰু হিন্দী ভাষাত অনুষ্ঠিত হয়। পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট আৰু শিলচৰত আছে।

শাৰীৰিক দক্ষতা পৰীক্ষা (পিইটি)/শাৰীৰিক মান পৰীক্ষা (পি এছ টি) [Physical Efficiency Test (PET)/ Physical Standard Test (PST)] আৰু চিকিৎসা পৰীক্ষাৰ (Medical Examination) বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https://ssc.nic.in) চাব পাৰে।

(vii) **কনিষ্ঠ হিন্দী অনুবাদক, কনিষ্ঠ অনুবাদক আৰু জ্যেষ্ঠ হিন্দী অনুবাদক পৰীক্ষা (Junior Hindi Translator, Junior Translator and Senior Hindi Translator Examination) ঃ** ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/সংস্থাৰ বাবে কনিষ্ঠ হিন্দী অনুবাদক, কনিষ্ঠ অনুবাদক আৰু জ্যেষ্ঠ হিন্দী অনুবাদকৰ গ্ৰুপ 'বি' নন-গেজেটেড পদত নিযুক্তিৰ বাবে এই পৰীক্ষা অনুষ্ঠিত কৰে।

**বয়সৰ সীমা ঃ** প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ৩০ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাইৰ সুবিধা আছে।

**শিক্ষাগত অৰ্হতা ঃ** Junior Translator in Central Secretariat Official Language Service (CSOLS), Junior Translator in M/o Railways (Railway Board), Junior Translator in Armed Forces Headquarters (AFHQ) আৰু Junior Translator (JT)/Junior Hindi Translator (JHT) পদৰ বাবে শিক্ষাগত অৰ্হতা হ'ল—ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ হিন্দী ভাষাত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি; অথবা হিন্দীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ ইংৰাজী ভাষাত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি অথবা হিন্দী বা ইংৰাজীৰ বাহিৰে আন যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, হিন্দী মাধ্যম আৰু ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে; অথবা হিন্দী বা ইংৰাজীৰ বাহিৰে আন যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, ইংৰাজী মাধ্যম আৰু হিন্দীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ; অথবা হিন্দী বা ইংৰাজীৰ বাহিৰে আন যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, হিন্দী আৰু ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা দুয়োটাৰে যিকোনো এটাক পৰীক্ষাৰ মাধ্যম হিচাপে আৰু আনটো ডিগ্ৰি পৰ্যায়ত বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে আৰু হিন্দীৰ পৰা ইংৰাজীলৈ অনুবাদৰ স্বীকৃতিপ্ৰাপ্ত ডিপ্ল'মা বা ছাৰ্টিফিকেট পাঠ্যক্ৰম বা ভাৰত চৰকাৰৰ আণ্ডাৰটেকিঙকে ধৰি কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কাৰ্যালয়ত হিন্দীৰ পৰা ইংৰাজীলৈ আৰু বিপৰীতে অনুবাদৰ কামৰ দুবছৰীয়া অভিজ্ঞতা।

**Senior Hindi Translator in various Central Government Ministries/Departments/Offices** পদৰ বাবে শিক্ষাগত অৰ্হতা হ'ল—ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ হিন্দী ভাষাত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি; অথবা হিন্দীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ ইংৰাজী ভাষাত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, হিন্দী মাধ্যম আৰু ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে; অথবা হিন্দী বা ইংৰাজীৰ বাহিৰে আন যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, ইংৰাজী মাধ্যম আৰু হিন্দীক বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে বা ডিগ্ৰি পৰ্যায়ত পৰীক্ষাৰ মাধ্যম হিচাপে লৈ; অথবা হিন্দী বা ইংৰাজীৰ বাহিৰে আন যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰি, হিন্দী আৰু ইংৰাজীক বাধ্যতামূলক বা ঐচ্ছিক বিষয়

হিচাপে বা দুয়োটাৰে যিকোনো এটাক পৰীক্ষাৰ মাধ্যম হিচাপে আৰু আনটো ডিগ্রি পৰ্যায়ত বাধ্যতামূলক বা ঐচ্ছিক বিষয় হিচাপে আৰু হিন্দীৰ পৰা ইংৰাজীলৈ অনুবাদৰ স্বীকৃতিপ্ৰাপ্ত ডিপ্ল'মা বা ছাৰ্টিফিকেট পাঠ্যক্ৰম বা ভাৰত চৰকাৰৰ আণ্ডাৰটেকিংকে ধৰি কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কাৰ্যালয়ত হিন্দীৰ পৰা ইংৰাজীলৈ আৰু ইংৰাজীৰ পৰা হিন্দীলৈ অনুবাদৰ কামৰ তিনি বছৰৰ অভিজ্ঞতা।

(viii) **মাল্টি টাস্কিং (নন-টেকনিকেল) ষ্টাফ আৰু হাৱালদাৰ (ছিবিআইছি আৰু ছিবিএন) পৰীক্ষা [Multi Tasking (Non-Technical) Staff and Havaldar (CBIC & CBN) Examination]** : ষ্টাফ ছিলেকশ্যন কমিছনে ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়/বিভাগ/কাৰ্যালয় আৰু বিভিন্ন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত বিভিন্ন সাংবিধানিক সংস্থা/বিধিগত সংস্থা/ন্যায়াধিকৰণ আদিত সাধাৰণ কেন্দ্ৰীয় সেৱা Group 'C' Non-Gazetted, Non-Ministerial পদৰ নিযুক্তিৰ বাবে "মাল্টি টাস্কিং (নন-টেকনিকেল) ষ্টাফ পৰীক্ষা" আৰু বিত্ত মন্ত্ৰালয়ৰ ৰাজহ বিভাগৰ অধীনত কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু শুল্ক ব'ৰ্ড (চি বি আই ছি) আৰু কেন্দ্ৰীয় মাদক দ্ৰব্য ব্যুৰ'ত (ছি বিএন) সাধাৰণ কেন্দ্ৰীয় সেৱা Group 'C' Non-Gazetted, Non-Ministerial পদৰ নিযুক্তিৰ বাবে 'হাৱালদাৰ (ছি বি আই ছি আৰু ছি বি এন) পৰীক্ষা অনুষ্ঠিত কৰে।

**বয়সৰ সীমা** : বিভিন্ন পদৰ বাবে প্ৰাৰ্থীৰ বয়স ১৮ বছৰৰ পৰা ২৭ বছৰৰ ভিতৰত হ'ব লাগে। নিৰ্দিষ্ট শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে বিধি অনুসৰি বয়সৰ ৰেহাই সুবিধা আছে।

**শিক্ষাগত অৰ্হতা** : পৰীক্ষাৰ্থীয়ে স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা মেট্ৰিক পৰীক্ষা বা সমতুল্য পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। এই পৰীক্ষাত কম্পিউটাৰ ভিত্তিক পৰীক্ষা (প্ৰশ্নকাকত-I), ফিজিকেল ইফিছিয়েন্সি টেষ্ট (পিইটি)/ফিজিকেল ষ্টেণ্ডাৰ্ড টেষ্ট (পিএছটি)। (কেৱল হাৱালদাৰ পদৰ বাবে) আৰু বৰ্ণনামূলক প্ৰশ্নকাকত (প্ৰশ্নকাকত-II) থাকে।

প্ৰশ্নকাকত-I (কম্পিউটাৰ ভিত্তিক পৰীক্ষা)ত General Englishৰ প্ৰশ্নসংখ্যা ২৫টা আৰু ২৫ নম্বৰ; General Intelligence & Reasoningৰ সংখ্যা ২৫টা আৰু ২৫ নম্বৰ; Numerical Aptitudeৰ প্ৰশ্নসংখ্যা ২৫টা আৰু ২৫ নম্বৰ আৰু General Awarenessৰ প্ৰশ্ন সংখ্যা ২৫টা আৰু ২৫ নম্বৰ থাকে। প্ৰশ্নকাকতখন বস্তুনিষ্ঠ (objective), একাধিক পছন্দৰ প্ৰশ্ন (Multiple choice questions) ধৰণৰ হয়। General Englishৰ বাদে প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থাকে। প্ৰতিটো ভুল উত্তৰৰ বাবে ০.২৫ নম্বৰ ঋণাত্মক নম্বৰ দিয়া হয়।

প্ৰশ্নকাকত-II (বৰ্ণনামূলক)ত ইংৰাজী বা সংবিধানৰ অষ্টম সূচীত অন্তৰ্ভুক্ত যিকোনো ভাষাত এখন চুটি ৰচনা আৰু এখন চিঠি কাগজত লিখিব লাগে। এই পৰীক্ষাত মুঠ নম্বৰ ৫০ (২৫+২৫) থাকে।

প্ৰশ্নকাকত-II কেৱল যোগ্যতাসম্পন্ন প্ৰকৃতিৰ হয় আৰু ইয়াৰ উদ্দেশ্য হৈছে পদটোক গ্ৰুপ-ছি হিচাপে শ্ৰেণীভুক্ত কৰাৰ প্ৰতি লক্ষ্য ৰাখি আৰু চাকৰিৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাথমিক ভাষা দক্ষতা পৰীক্ষা কৰা। যদিহে এজনতকৈ অধিক প্ৰাৰ্থীয়ে প্ৰশ্নকাকত-Iত সমান স্বাভাৱিক নম্বৰ লাভ কৰে, তেন্তে মেধা নিৰ্ণয়ৰ বাবে প্ৰশ্নকাকত-IIত পৰীক্ষাৰ্থীয়ে লাভ কৰা নম্বৰ ব্যৱহাৰ কৰা হয়।

প্ৰশ্নকাকত-II কেৱল সেইসকল প্ৰাৰ্থীৰ বাবেহে অনুষ্ঠিত হয় যিসকলে বিভিন্ন শিতানৰ বাবে প্ৰশ্নকাকত-Iত আয়োগে নিৰ্ধাৰণ কৰা কাট অফ পূৰণ কৰে।

এই পৰীক্ষা কেন্দ্ৰ অসমৰ ডিব্ৰুগড়, গুৱাহাটী (দিছপুৰ), যোৰহাট আৰু শিলচৰত আছে।

হাৱালদাৰ (ছিবিআইছি আৰু ছিবিএন) পদৰ বাবে শাৰীৰিক দক্ষতা পৰীক্ষা (পিইটি)/শাৰীৰিক মান পৰীক্ষা (পিএছটি) থাকে। এই পৰীক্ষাৰ বিতং তথ্যৰ বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটত (https:/ssc.nic.in) চাব পাৰে।

**কম্পিউটাৰ ভিত্তিক পৰীক্ষাৰ বাবে পাঠ্যক্ৰম (প্ৰশ্নকাকত-I)** :

**General English** : ইয়াত ইংৰাজী ভাষাৰ মূল কথা, ইয়াৰ শব্দভাণ্ডাৰ, ব্যাকৰণ, বাক্য গঠন, প্ৰতিশব্দ, বিপৰীত শব্দ আৰু ইয়াৰ সঠিক ব্যৱহাৰ আদিৰ বিষয়ে প্ৰাৰ্থীসকলৰ বুজাবুজি আৰু লিখাৰ ক্ষমতা পৰীক্ষা কৰা হয়।

**General Intelligence & Reasoning** : ইয়াত অকথ্য ধৰণৰ (non-verbal type) প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব। এই পৰীক্ষাত সাদৃশ্য (similarities) আৰু পাৰ্থক্য (differences), স্থান দৃশ্যায়ন (space visualization), সমস্যা সমাধান (problem solving), বিশ্লেষণ (analysis), বিচাৰ (judgment), সিদ্ধান্ত গ্ৰহণ (decision making), দৃশ্য স্মৃতি (visual memory), বৈষম্যমূলক পৰ্যৱেক্ষণ (discriminating observation), সম্পৰ্ক ধাৰণা (relationship concepts), চিত্ৰশ্ৰেণীবিভাজন (figure classification), গাণিতিক সংখ্যা শৃংখলা (arithmetical number series), অকথ্য শৃংখলা (Non-verbal series) আদি প্ৰশ্নসমূহ অন্তৰ্ভুক্ত কৰা হয়। এই পৰীক্ষাত প্ৰাৰ্থীৰ বিমূৰ্ত ধাৰণা (abstract ideas) আৰু চিহ্ন (symbols) আৰু ইয়াৰ সম্পৰ্ক, গাণিতিক গণনা আৰু অন্যান্য বিশ্লেষণাত্মক কাৰ্যৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা পৰীক্ষা কৰিবলৈ ডিজাইন কৰা প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হয়।

**Numerical Aptitude** : ইয়াত সংখ্যা ব্যৱস্থা, সম্পূৰ্ণ সংখ্যা, দশমিক আৰু ভগ্নাংশৰ গণনা আৰু সংখ্যাৰ মাজৰ সম্পৰ্ক, মৌলিক গাণিতিক কাৰ্যকলাপ, শতাংশ, অনুপাত আৰু অনুপাত গড়, সুত, লাভ আৰু লোকচান, ৰেহাই, টেবুল আৰু গ্ৰাফৰ ব্যৱহাৰ, জোখ-মাখ, সময় আৰু দূৰত্ব, অনুপাত আৰু সময়, সময় আৰু কাম ইত্যাদি প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হয়।

**General Awareness** : ইয়াৰ প্ৰশ্নসমূহ প্ৰাৰ্থীৰ চৌপাশৰ পৰিৱেশৰ প্ৰতি সাধাৰণ সজাগতা আৰু সমাজত ইয়াৰ প্ৰয়োগ পৰীক্ষা কৰিবলৈ প্ৰস্তুত কৰা হয়। সাম্প্ৰতিক পৰিঘটনা আৰু দৈনন্দিন পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ এনে বিষয়ৰ বৈজ্ঞানিক দিশত জ্ঞান পৰীক্ষা কৰিবলৈও প্ৰশ্নসমূহ প্ৰস্তুত কৰা হয় যিদৰে এজন শিক্ষিত ব্যক্তিৰ পৰা আশা কৰিব পাৰি। এই পৰীক্ষাত ভাৰত আৰু ইয়াৰ চুবুৰীয়া দেশসমূহৰ সৈতে জড়িত বিশেষকৈ ক্ৰীড়া, ইতিহাস, সংস্কৃতি, ভূগোল, অৰ্থনৈতিক দৃশ্য, ভাৰতীয় সংবিধানকে ধৰি সাধাৰণ ৰাজনীতি আৰু বৈজ্ঞানিক গৱেষণা ইত্যাদি সম্পৰ্কীয় প্ৰশ্নসমূহো অন্তৰ্ভুক্ত কৰা হয়। এই প্ৰশ্নবোৰ এনেকুৱা হয় যে কোনো শাখাৰ বিশেষ অধ্যয়নৰ প্ৰয়োজন নহয়।

এই সকলো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিজ্ঞাপন ষ্টাফ ছিলেকশ্যন কমিছনৰ ৱেবছাইটৰ (https://ssc.nic.in) লগতে এমপ্লয়মেণ্ট নিউজ আৰু বিভিন্ন বাতৰি কাকত/আলোচনীত প্ৰকাশ হয়। ষ্টাফ ছিলেকশ্যন কমিছনে পৰিচালনা কৰা প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বাবে অনলাইন পদ্ধতিত আবেদন কৰিব লাগে। ইয়াৰ ৱেবচাইট ঠিকনাটি হ'ল—https://ssc.nic.in/portal/apply

আন এটা সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষা হ'ল—ৰাষ্ট্ৰীয় যোগ্যতা বাছনি (National Eligibility Test) পৰীক্ষা 'বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC)' পৰিচালনা কৰে। বিজ্ঞান শাখাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে 'বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ

(CSIR) সহযোগত পৰিচালনা কৰে।

বিশ্ববিদ্যালয় অনুদান আয়োগে আয়োজন কৰা NET পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক পদত নিযুক্তি পাবৰ বাবে যোগ্যতা অৰ্জন কৰে। তদুপৰি শিক্ষা প্ৰতিষ্ঠান অথবা গৱেষণা প্ৰতিষ্ঠানত গৱেষণা কৰিবৰ বাবে সুবিধা পায়।

UGC-NET পৰীক্ষাত বহিবৰ বাবে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা কমপক্ষেও ৫৫ শতাংশ নম্বৰসহ সংশ্লিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰিধাৰী হ'ব লাগে।

CSIR-NET পৰীক্ষাত বহিবলৈ M.Sc or equivalent degree/Integrated BS-MS/BS-4 years/BE/BTech/ BPharma/MBBS পাঠ্যক্ৰমত কমপক্ষেও ৫৫ শতাংশ নম্বৰসহ সাধাৰণ শ্ৰেণী আৰু অন্যান্য পিছপৰা শ্ৰেণী অনুসূচিত জাতি/জনজাতি আৰু বিশেষভাৱে সক্ষম (PwD) প্ৰাৰ্থীয়ে ৫০ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগিব।

UGC-NET পৰীক্ষাৰ সবিশেষ জানিবলৈ আগ্ৰহী শিক্ষাৰ্থীয়ে নেশ্যনেল টেষ্টিং এজেন্সিৰ (National Testing Agency, NTA) ৱেবছাইট (https:// ugcnet.nta.nic.in) আৰু CSIR-NET পৰীক্ষাৰ সবিশেষ জানিব বাবে আগ্ৰহী শিক্ষাৰ্থীয়ে বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ ৱেবছাইট (https:// csirnet.nta.nic.in) চাব পাৰে।

UGC-NETৰ পৰীক্ষাৰ কেন্দ্ৰ অসমৰ গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, শিলচৰ আৰু তেজপুৰত আছে।

CSIR-NETৰ পৰীক্ষাৰ কেন্দ্ৰ অসমৰ গুৱাহাটী আৰু যোৰহাটত আছে।

লগতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে ৰাজ্যিক যোগ্যতা বাছনি (State Eligibility Test, SET) নামৰ এটা পৰীক্ষাও হয়। এই পৰীক্ষাৰ সবিশেষ জানিবলৈ ৰাজ্যিক যোগ্যতা বাছনি আয়োগৰ ৱেবছাইট (http://sletne.org) চাব পাৰে।

আন কিছুমান সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষা হ'ল—বিভিন্ন মণ্ডলৰ ৰে'লৰে ৰিক্ৰুইটমেণ্ট ব'ৰ্ডে বিভিন্ন পদৰ বাবে পতা পৰীক্ষা, বেংকিং খণ্ড আৰু অন্যান্য ইণ্ডিঅ'ৰেঞ্চ কোম্পানিৰ পৰীক্ষা বিভিন্ন পদৰ বাবে পতা পৰীক্ষা, মেনেজমেণ্ট টেষ্ট (MAT, CAT আদি), গ্ৰেজুৱেট এপটিটিউড টেষ্ট ইন ইঞ্জিনিয়াৰিং (Graduate Aptitude Test in Engineering) চমুকৈ 'গেট' (GATE), লগতে NEET, JEE আদি।

এই প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বিজ্ঞাপন ৱেবছাইটৰ লগতে বাতৰিকাকত/আলোচনীত প্ৰকাশ হয়। শিক্ষাৰ্থীসকলে বিজ্ঞাপনৰ প্ৰতিটো শব্দ প্ৰথমৰ পৰা শেষলৈকে পঢ়িব লাগিব। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ শেহতীয়া তথ্যৰ বাবে অফিছিয়েল ৱেবছাইটবোৰ চাব লাগিব।

প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ প্ৰস্তুতি চলোৱাৰ আগেয়ে শিক্ষাৰ্থীসকলে অফিছিয়েল ৱেবছাইটত গৈ পৰীক্ষাৰ আৰ্হি বুজিব লাগে আৰু উপযুক্ত অধ্যয়ন সামগ্ৰী সংগ্ৰহ কৰি পৰীক্ষাসমূহৰ বাবে প্ৰস্তুতি চলাব লাগে। শিক্ষাৰ্থীসকলে সঘনাই বিভিন্ন কিতাপৰ পৰা যথেষ্ট তথ্য আহৰণ কৰে, সেইবোৰৰ বেছিভাগ অপ্ৰাসংগিক আৰু অপ্ৰয়োজনীয়। এই অভ্যাস পৰিহাৰ কৰিব লাগে। পাঠ্যপুথিৰ প্ৰতিটো শাৰী পঢ়িব লাগিব, ধাৰণাসমূহ বুজি ল'ব লাগিব আৰু মুখস্থ কৰিব লাগিব। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বলৈ কোচিং লোৱাটো প্ৰয়োজনীয় বুলি বহুতৰে মনত এটা ভুল ধাৰণা থকা দেখা যায়। কিন্তু এনেবোৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ কোচিং ল'বই লাগিব বুলি কোনো কথা নাই। শিক্ষাৰ্থীসকলে ছিলেবাছ অনুসৰি নিয়মীয়াকৈ অধ্যয়নৰ উপৰিও পুৰণি প্ৰশ্নকাকতসমূহ কম আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সমাধান কৰিবলৈ চেষ্টা কৰিলেও উত্তীৰ্ণ হোৱাত সহায় হ'ব।

ছিলেবাছ অনুসৰি বিষয়বোৰ পুনৰীক্ষণ কৰিলে শিক্ষাৰ্থীসকলে পৰীক্ষাত যিকোনো ধৰণৰ প্ৰশ্নৰ উত্তৰ কৰিবলৈ অধিক আত্মবিশ্বাস অৰ্জন কৰাত সহায় কৰিব। সময়মতে পুনৰীক্ষণে এজন শিক্ষাৰ্থীৰ পৰীক্ষাৰ সময়ত হোৱা উদ্বেগ আৰু মানসিক চাপৰ মাত্ৰা হ্ৰাস কৰাত সহায় কৰে। শিক্ষাৰ্থীসকলে কঠোৰ ৰুটিন মানি চলিব লাগিব। শিক্ষাৰ্থীসকলে সময় ব্যৱস্থাপনাৰ অভ্যাস কৰিব লাগিব। শিক্ষাৰ্থীসকলে ইণ্টাৰনেটৰ পৰা সহায় লোৱাৰ উপৰিও প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱাসকলৰ পৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰিলেও উপকৃত হ'ব।

ম'ক (Mock) পৰীক্ষায়ো পৰীক্ষাৰ বিন্যাসৰ সৈতে পৰিচিত হোৱাত সহায় কৰে। মক পৰীক্ষাৰ ডিজাইন এনেদৰে কৰা হয় যাতে আবেদনকাৰীয়ে পৰীক্ষাৰ অনুভৱ কৰিব পাৰে। ইয়াৰ প্ৰস্তুতি পৰীক্ষা কৰিবলৈ পৰীক্ষাৰ সমস্যাবোৰ সমাধান কৰাটো সহজ হয়। কিন্তু কম সময়ৰ ভিতৰতে সকলোৰে উত্তৰ দিয়াটো প্ৰত্যাহ্বানজনক। শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত নমুনা সমস্যা সমাধানৰ চেষ্টা কৰি প্ৰকৃত পৰীক্ষাৰ পৰিৱেশত নিজৰ প্ৰদৰ্শন উন্নত কৰিব পাৰে।

এই প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ কিছুমানত সাধাৰণ জ্ঞানৰ পৰীক্ষাও লোৱা হয়। সাধাৰণ জ্ঞান দুই প্ৰকাৰত ভাগ কৰিব পৰা যায়। পৰম্পৰাগত সাধাৰণ জ্ঞান (Traditional General Knowledge) আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ (Current Affairs)। সাধাৰণ জ্ঞান যিহেতু একে দিনাই গোটোৱা সম্ভৱ নহয় ইয়াৰ বাবে শিক্ষাৰ্থীসকলৰ দীঘলীয়া প্ৰস্তুতিৰ প্ৰয়োজন। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্যপুথি আৰু এই সকলো বিষয়ৰ আনুষংগিক প্ৰসংগ পুথি অধ্যয়ন কৰিব লাগিব। সাম্প্ৰতিক ঘটনা-প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰিকাকত তথা বিভিন্ন আলোচনী নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। যিহেতু দৈনিক বাতৰিকাকত এখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষৰ পৃষ্ঠালৈকে জানিবলগীয়া বহুত কথা থাকে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি থ'ব লাগে। তদুপৰি, সাংখ্যিক হিচাপ-নিকাচৰ সক্ষমতা (Numerical Ability), গাণিতিক সক্ষমতা (Mathematical ability), বিচাৰ-বুদ্ধিৰ সক্ষমতা (Reasoning), ভাষা বুজা (Language Comprehension), মৌখিক সক্ষমতা (Verbal Ability), পৰিমাণগত সক্ষমতা (Quantitative ability), বিশ্লেষণাত্মক দক্ষতা (Analytical Skills) আদি বিষয়সমূহৰ অনুশীলন কৰাটো দৰকাৰ। প্ৰায়বোৰ প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰশ্নৰ উত্তৰ ভুল হ'লে ঋণাত্মক নম্বৰ দিয়ে। গতিকে শিক্ষাৰ্থীসকল সাৱধান হ'ব লাগে আৰু উত্তৰ অনুমান কৰাটো এৰিব লাগে। শিক্ষাৰ্থীসকলে দীঘলীয়া সময়ৰ প্ৰস্তুতি লগতে নিয়মীয়া অনুশীলন অব্যাহত ৰাখি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালে এই প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিব। কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে জানিব খুজিলে প্ৰত্যেক শনিবাৰে বিয়লি ছয়ৰ পৰা ন বজাৰ ভিতৰত ফোনত (৯৪৩৫১৮৮৬৩০) যোগাযোগ কৰিব পাৰে।

ঠিকনা ঃ কেৰিয়াৰ পৰামৰ্শদাতা আৰু মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ, অসম ডন বস্ক' বিশ্ববিদ্যালয়, আজাৰা, গুৱাহাটী-৭৮১০১৭, ফোন ঃ ৯৪৩৫১৮৮৬৩০

ই-মেইল ঃ buljit@gmail.com